REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 04-NOV-2026
Time : 7-55 AM

Assamese Morning Bulletin

————————————————

চলিত বছৰৰ জুলাইত অসমৰ শিৱসাগৰ আৰু চৰাইদেউ জিলাত হোৱা বিধবংসী বানৰ কাৰণ নিৰ্ণয়ৰ বাবে চি বি আইৰ দ্বাৰা তদন্ত কৰাৰ প্ৰস্তাৱত অসম মন্ত্ৰীসভাই অনুমোদন জনাইছে। কালি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত অনুষ্ঠিত মন্ত্ৰীসভাৰ বৈঠকৰ পাছত সংবাদ মাধ্যমৰ আগত এই কথা প্ৰকাশ কৰে। তেওঁ কয় যে অহা ১০ দিনৰ মানৰ ভিতৰত ৰাজ্য চৰকাৰে এই তদন্তৰ বাবে অনুৰোধ জনাই পত্ৰ প্ৰেৰণ কৰিব।

বাইট (চি এম)

মন্ত্ৰীসভাই উদ্ভাৱনীমূলক যাতায়াত ব্যৱস্থা হিচাপে ৰজ্জুপথ নিৰ্মাণৰ বাবে প্ৰতিষ্ঠানগত কাঠামো গঢ়ি তোলাৰ উদ্দেশ্যে ৰাষ্ট্ৰীয় ঘাইপথ পৰিবহণ ব্যৱস্থাপনা লিমিটেড আৰু ৰাজ্য চৰকাৰৰ মাজত ৰজ্জুপথ উন্নয়ন চুক্তি স্বাক্ষৰৰ প্ৰস্তাৱত অনুমোদন জনাইছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে কামাখ্যা ৰে'ল ষ্টেচনৰ পৰা কামাখ্যা মন্দিৰলৈ, খানাপাৰাৰ পৰা গুৱাহাটী ৰে'ল ষ্টেচনলৈ, কাছাৰৰ গংগা নগৰৰ পৰা ভূৱন পাহাৰৰ শিৱ মন্দিৰলৈ, ডিমা হাচাওৰ হেমপেউপেট শৃংগৰ পৰা জাতিংগালৈ আৰু শোণিপুৰৰ অগ্নিগড়ৰ পৰা ভৈৰৱী মন্দিৰলৈ ৫টা ৰজ্জুপথ নিৰ্মাণ কৰা হ'ব। তেওঁ কয় যে কোনো চৰকাৰী কৰ্মচাৰী বহুবিবাহত আবদ্ধ হ'লে চাকৰিৰ পৰা বৰ্খাস্ত হ'ব আৰু ভৱিষ্যতে কোনো চাকৰিত আবেদন কৰিব নোৱাৰিব। ৰাজ্যত উমৈহতীয়া দেৱানী বিধি প্ৰৱৰ্তন হোৱা বাবে এই সিদ্ধান্ত জনজাতীয় লোকৰ বাহিৰে সকলোৰে ক্ষেত্ৰত প্ৰযোজ্য হ'ব বুলি মুখ্যমন্ত্ৰীয়ে কয়। সেনাবাহিনীৰ পৰা অৱসৰপ্ৰাপ্ত তৃতীয় আৰু চতুৰ্থ বৰ্গৰ কৰ্মচাৰীয়ে ৰাজ্য চৰকাৰৰ চাকৰিৰ বাবে ৪৫ বছৰ বয়সলৈ আবেদন কৰিব পাৰিব বুলি তেওঁ উল্লেখ কৰে। ড০ শৰ্মাই কয় যে ৰাজ্যত এইবাৰ ৮ লাখ ৫০ হাজাৰ মেট্ৰিক টন ধান ক্ৰয়ৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। চৰকাৰে প্ৰতি কুইণ্টল ধান দুহেজাৰ ৬৪০ টকাত ক্ৰয় কৰিব বুলি তেওঁ জানিবলৈ দিয়ে। মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে ৰাজ্যত প্ৰতিৰক্ষা উদ্যান নিৰ্মাণ কৰা হ'ব। সামৰিক বাহিনীৰ সহায় হ'ব পৰাকৈ ৬ হাজাৰ বিঘা ভূমিত এই উদ্যান নিৰ্মাণ কৰা হ'ব বুলি ড০ শৰ্মাই প্ৰকাশ কৰে।

০০০০০০

মিছিং স্বায়ত্তশাসিত পৰিষদৰ ৪০ টা সমষ্টিত আৰু সোণোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ ৩২ টা সমষ্টিত নিৰ্বাচন অহা ৩০ নৱেম্বৰত অনুষ্ঠিত হ'ব। ৰাজ্যিক নিৰ্বাচন আয়োগে কালি এই নিৰ্বাচনৰ দিন ঘোষণা কৰে। ১০ নৱেম্বৰ মনোনয়ন দাখিলৰ অন্তিম দিন ধাৰ্য কৰা হৈছে। ১২ নৱেম্বৰত মনোনয়ন পত্ৰ সমূহ পৰীক্ষা কৰাৰ লগতে বৈধ প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰা হ'ব। ১৬ নৱেম্বৰ মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিন আৰু সেইদিনাই প্ৰাৰ্থীৰ চূড়ান্ত তালিকা প্ৰকাশ কৰা হ'ব। ৩০ নৱেম্বৰৰ পুৱা চাৰে ৭ বজাৰ পৰা বিয়লি চাৰি বজালৈ ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। প্ৰয়োজন সাপেক্ষে ১ ডিচেম্বৰত পুনৰ ভোট গ্ৰহণ কৰা হ'ব। ৩ ডিচেম্বৰৰ পুৱা ৮ বজাৰ পৰা ভোটগণনা অনুষ্ঠিত হ'ব। নিৰ্বাচনী প্ৰক্ৰিয়া সম্পূৰ্ণ কৰাৰ অন্তিম দিন ৫ ডিচেম্বৰ ধাৰ্য্য কৰা হৈছে।

মিছিং স্বায়ত্ত শাসিত পৰিষদৰ নিৰ্বাচনত ৬ লাখ ৩৫ হাজাৰ ৪৯৩ গৰাকী ভোটদাতাই ভোটৰ অধিকাৰ সাব্যস্ত কৰিব পাৰিব। ইয়াৰে ৩ লাখ ১৭ হাজাৰ ২৯৭ গৰাকী পুৰুষ আৰু ৩ লাখ ১৮ হাজাৰ ১৯৪ গৰাকী মহিলা ভোটদাতা। নিৰ্বাচনৰ বাবে এহেজাৰ ৩২ টা ভোট গ্ৰহণ কেন্দ্ৰ স্থাপন কৰা হ'ব। আয়োগে প্ৰতিগৰাকী প্ৰাৰ্থীৰ নিৰ্বাচনী ব্যয়ৰ সৰ্বোচ্চ সীমা ২ লাখ টকালৈকে ধাৰ্য্য কৰিছে। ইপিনে সোণোৱাল কছাৰী স্বায়ত্ত শাসিত পৰিষদৰ বাবে এক লাখ ৬৩ হাজাৰ ৯৬৬ গৰাকী ভোটদাতাই গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰিব পাৰিব। ইয়াৰে ৭৯ হাজাৰ ২৯৫ জন পুৰুষ আৰু ৮৪ হাজাৰ ৬৬৭ গৰাকী মহিলা ভোটাদাতা।

০০০০০০

ৰাজ্যৰ বন বিভাগত শীঘ্ৰেই নিযুক্তি প্ৰক্ৰিয়া আৰম্ভ হ'ব। বন মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই সাংবাদিকৰ আগত কালি এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে কেতবোৰ অপ্ৰয়োজনীয় পদ বিলোপ কৰাৰ লগতে সাম্প্ৰতিক সময়ত প্ৰয়োজনীয় হৈ পৰা কিছুমান পদত নিযুক্তি বৃদ্ধি কৰা হ'ব। ৰাজ্য চৰকাৰৰ ২ লাখ নিযুক্তি সম্পূৰ্ণ কৰাৰ লক্ষ্যৰ অংশ হিচাপে এই নিযুক্তি দিয়া হ'ব বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

ইপিনে, বন বিভাগে আজি ৰাজ্যখনত বান্দৰৰ গণনা আৰম্ভ কৰিব। পৰীক্ষামূলক ভাৱে আজি কামৰূপ মহানগৰ, গোৱালপাৰা, দৰং আৰু গোলাঘাট জিলাত এই গণনা কৰা হ'ব। পৰৱৰ্তী সময়ত অন্যান্য জিলাতো এই গণনা চলিব। বান্দৰৰ প্ৰজনন নিয়ন্ত্ৰণৰ বাবে এই প্ৰচেষ্টা লোৱা হৈছে বুলি বনমন্ত্ৰী গৰাকীয়ে কালি প্ৰকাশ কৰে।

হাতী-মানুহৰ সংঘাত ৰোধ কৰাৰ বাবেও বন বিভাগে বিশেষ ব্যৱস্থা লৈছে। এতিয়াৰে পৰা হাতী মানুহৰ সংঘাতৰ ফলত কোনো লোকৰ মৃত্যু হ'লে মৃতকৰ পৰিয়াললৈ ৬ লাখ টকাৰ ক্ষতিপূৰণ দিয়া হ'ব। দুদিনৰ ভিতৰতে এই ধনৰাশি প্ৰদান কৰা হ'ব।

আনহাতে, বনৰীয়া হাতীয়ে শস্য নষ্ট কৰিলে ৮ হাজাৰ টকাকৈ ক্ষতিপূৰণ দিয়া হ'ব। তদুপৰি হাতী মানুহৰ সংঘাত ৰোধৰ উদ্দেশ্যে গজমিত্ৰ আঁচনি গ্ৰহণ কৰা হৈছে আৰু আঁচনিখনৰ সৈতে জড়িতসকলৰ মাননী এহেজাৰ টকালৈ বৃদ্ধি কৰা হৈছে বুলি বন আৰু পৰিৱেশ মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। মন্ত্ৰীগৰাকীয়ে কয়, যে ৰাজ্যত সম্প্ৰতি ৮১টা গজমিত্ৰৰ দল আছে। তেওঁ কয়, যে এনে দলৰ সংখ্যা শীঘ্ৰে ডেৰশৰ পৰা ২০০ লৈ বৃদ্ধি কৰা হ'ব। ইয়াৰ বাবে বনৰক্ষী বিষয়াক প্ৰয়োজনীয় নিৰ্দেশ দিয়া হৈছে। গজমিত্ৰৰ লগত তিনিজনকৈ বনকৰ্মী থাকিব বুলি তেওঁ উল্লেখ কৰে। মন্ত্ৰীগৰাকীয়ে কয় যে ৮ নৱেম্বৰৰ ভিতৰত নতুন গজমিত্ৰৰ দলসমূহ গঠন হ'ব।

০০০০০০

খাদ্য সুৰক্ষা বিভাগে বিগত ১০ মাহত ৬০টা পনীৰৰ নমুনা সংগ্ৰহ কৰি বিশ্লেষণ কৰিছে আৰু ইয়াৰে ৭০ শতাংশ অৰ্থাৎ ৪১টা নমুনা খাদ্যৰ বাবে অনুপযোগী বুলি চিনাক্ত হৈছে। স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী অশোক সিংহালে খাদ্যৰ মান বৰ্তাই ৰখাৰ বাবে গ্ৰহণ কৰা বিভিন্ন পদক্ষেপৰ বিষয়ে উল্লেখ কৰি কালি সংবাদ মাধ্যমৰ আগত এই কথা প্ৰকাশ কৰে। অনুপযোগী বুলি বিবেচিত পাঁচটা নমুনা স্বাস্থ্যৰ বাবে অত্যন্ত ক্ষতিকাৰক বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। বিভাগে খাদ্য সুৰক্ষা আইন ২০০৬ৰ ৩২ নম্বৰ (ক) দফাৰ অধীনত এখন জাননী জাৰি কৰিছে বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে এই জাননীত পনীৰৰ নামত পনীৰৰ দৰে অন্য সামগ্ৰী বিক্ৰী কৰিব নোৱাৰিব বুলি স্পষ্টভাৱে উল্লেখ কৰা হৈছে। তেওঁ কয়, যে এনে সামগ্ৰী বিক্ৰী কৰাসকলক জৰিমনা বিহা হ'ব।

০০০০০০ সমাপ্ত